**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। বিটিআৰৰ ৪০টা সমষ্টিত ২২ ছেপ্তেম্বৰত হ'বলগীয়া নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা নিশ্চিত।

২। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে জনপ্ৰতিনিধিৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ দ্ৰুত নিষ্পত্তিৰ বাবে প্ৰচিকিউচন সঞ্চালকালয়ৰ ৫ খন ডেজিগনেটেড আদালত স্থাপনৰ প্ৰস্তাৱ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আৰু মণিপুৰ ভ্ৰমণৰ পূৰ্বে কালি গুৱাহাটীত এন এছ্ জি আৰু এন আই এৰ গুৰুত্বপূৰ্ণ বৈঠক।

৪। ভাৰতীয় নাগৰিকত্ব লাভৰ বাবে আবেদনৰ যোগ্যতাৰ সময়সীমা বৃদ্ধিক লৈ বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদ। **কা**ৰ সময়সীমা বৃদ্ধিৰ বিৰুদ্ধে আইনী যুঁজ চলাবলৈ অগপৰ সিদ্ধান্ত। **আৰু**

৫। আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত বিশ্ববন্দিত শিল্পী ভূপেন হাজৰিকাৰ বহুমাত্ৰিক ব্যক্তিত্বৰ অৱলোকন।

০০০০০০

বি টি আৰৰ ৪০টা সমষ্টিত ২২ ছেপ্তেম্বৰত হ'বলগীয়া নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ আগেয়ে দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছিল। এই নিৰ্বাচনৰ বাবে ৩৮৪ খন মনোনয়ন দাখিল হৈছিল আৰু ইয়াৰে ৩৫০ খন বৈধ  হিচাপে বিবেচিত হৈছিল।

বাক্সা জিলাত কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ ফলত জিলাখনৰ ছটা পৰিষদীয় সমষ্টিত ৫২ গৰাকী প্ৰাৰ্থী এতিয়া প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। তামুলপুৰ জিলাত ৪১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল আৰু আটাইকেইগৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ওদালগুৰি জিলাত ৭১ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল যদিও ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত ৬৮ গৰাকী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। কোকৰাঝাৰ জিলাত কালি ১৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ সংখ্যা এশলৈ হ্ৰাস পাইছে। চিৰাং জিলাত ছগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত চূড়ান্ত প্ৰাৰ্থীৰ সংখ্যা ৫৬ হৈছে।

এই নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। বাক্সা জিলাৰ ককলাবাৰীত কালি বিজেপিৰ এখন যোগদান সভা অনুষ্ঠিত হয়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত  কমেও ৫০ জন লোকে দলত যোগ দিয়ে। জিলাখনৰ হজুৱাত কালি ইউ পি পি এল দলৰ এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়।  দিহিৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত অহোপাত কালি গণ সুৰক্ষা পাৰ্টীৰ এখন যোগদান সভা অনুষ্ঠিত হয়। এই সভাত বি পি এফ আৰু ইউ পি পি এল দলৰ কেইবাগৰাকীও সদস্যই দলটোত যোগ দিয়ে।

তামুলপুৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই কালি প্ৰাৰ্থীসকলৰ প্ৰতীক চিহ্ন আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। এই উপলক্ষে আয়োজিত সভাত বিভিন্ন দলৰ প্ৰতিনিধিসকলক নিৰ্বাচনী আচৰণ  বিধি সম্পৰ্কে অৱগত

কৰোৱা হয়। তদুপৰি সেউজ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে পৰিবেশ বিনষ্ট কৰিব পৰা সামগ্ৰী ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ নিৰ্বাচনী বিষয়াগৰাকীয়ে আহ্বান জনায়।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে একাংশ বিধায়ক আৰু সাংসদৰ বিৰুদ্ধে নিষ্পত্তিহীন ফৌজদাৰী গোচৰ সমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰচিকিউচন সঞ্চালকালয়ে ৫ খন ডেজিগনেটেড আদালত স্থাপনৰ প্ৰস্তাৱ দিছে। সঞ্চালক মাখন ফুকনে কালি এই সন্দৰ্ভত আদালতক বিশদ পৰিকল্পনা দাখিল কৰে। সেই অনুসৰি শ্ৰীফুকনে জন প্ৰতিনিধিৰ বিৰুদ্ধে ৰুজু হৈ থকা গোচৰৰ নিষ্পত্তিৰ বাবে এখন দিনপঞ্জী প্ৰস্তুত কৰি ধাৰাবাহিক শুনানি গ্ৰহণ, নিৰীক্ষণ আৰু ডেজিগনেটেড আদালতৰ বাবে বিশেষ লোক অধিবক্তা নিযুক্তিকে ধৰি ছটা প্ৰস্তাৱ দিয়া দিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰুৱা আৰু অৰুণদেৱ চৌধুৰীৰ বিচাৰপীঠে এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ সঞ্চালকালয়ক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত সংশ্লিষ্ট জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষকসকলকো সহায় কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশনাত উল্লেখ কৰে। উল্লেখযোগ্য যে অসমৰ প্ৰাক্তন আৰু বৰ্তমানৰ বিধায়ক আৰু সাংসদৰ বিৰুদ্ধে ৭২টা নিষ্পত্তিহীন গোচৰ ৰুজু হৈ আছে। ইয়াৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত সৰ্বাধিক ২৫টা, চিবিআইৰ বিশেষ আদালতত ছটা, কামৰূপ মহানগৰ জিলাৰ এক নম্বৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত ৪টা গোচৰ ৰুজু হৈ আছে। এই গোচৰ সমূহ মীমাংসা নোহোৱাত উদ্বিগ্নতা প্ৰকাশ কৰা উচ্চ ন্যায়ালয়ে এই ক্ষেত্ৰত দ্ৰুত নিষ্পত্তিৰ বাবে বিশদ পৰিকল্পনা দাখিল কৰিবলৈ প্ৰচিকিউচন সঞ্চালকক নিৰ্দেশ দিছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আৰু মণিপুৰ ভ্ৰমণৰ পূৰ্বে ৰাষ্ট্ৰীয় সুৰক্ষা বাহিনী এন এছ জিৰ মুৰব্বী বৃগু শ্ৰীনিবাসন আৰু ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এৰ মুৰব্বী সদানন্দ ডেটে কালি গুৱাহাটীত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙো উপস্থিত থাকে। আছাম ৰাইফলছ আৰু চি আৰ পি এফৰ শীৰ্ষ বিষয়াসকলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত ভাগ লয়। বৈঠকত প্ৰধানমন্ত্ৰীৰ মণিপুৰ ভ্ৰমণৰ সময়ত যাতে কোনো উগ্ৰপন্থীয়ে কূটাঘাট বা হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা হয়। বৈঠকখনত অসমৰ আইন-শৃংখলা পৰিস্থিতিৰ বিষয়টোৱেও স্থান লাভ কৰে। বিদ্ৰোহী সংগঠন আলফা স্বাধীনে বিদেশ ৰাষ্ট্ৰৰ পৰা ধন দাবী অব্যাহত ৰখাক লৈ নিৰাপত্তা সংস্থা দুটাৰ মুৰব্বী দুগৰাকীয়ে বৈঠকত গুৰুত্বসহকাৰে আলোচনা কৰে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদী অহা ১৩ ছেপ্তেম্বৰত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। একেদিনাই প্ৰধানমন্ত্ৰীয়ে মিজোৰামৰ ছাইৰাঙৰপৰা ভৈৰবীলৈ ৫১ দশমিক ৩-৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰে'ল প্ৰকল্প উদ্বোধন কৰিব আৰু ইম্ফলত এখন জনসভাত ভাষণ দিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই প্ৰকাশ কৰা মতে উদ্বোধনীৰ দিনা ছাইৰাঙৰ পৰা দীৰ্ঘ দূৰত্বৰ ৰে'ল সেৱা আৰম্ভ কৰাৰ সম্ভাৱনা আছে। বৰ্তমান মিজোৰামৰ ভৈৰবীৰ পৰা হাইলাকান্দি হৈ শিলচৰলৈ দৈনিক কেইটামান ডবা থকা এখন যাত্ৰীবাহী ৰে'ল চলি আছে। ১৩ ছেপ্তেম্বৰত মিজোৰামৰ ৰাজধানী আইজলৰ পৰা প্ৰায় ২১ কিলোমিটাৰ দূৰত্বত অৱস্থিত ছাইৰাঙলৈ এই যাত্ৰীবাহী ৰে'লখন সম্প্ৰসাৰিত কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে ছাইৰাঙৰ পৰা হাইলাকান্দি হৈ ৰাজধানী এক্সপ্ৰেছৰ দৰে বিলাসী ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰাৰ কথা।

প্ৰধানমন্ত্ৰী মোদীয়ে ১৪ ছেপ্তেম্বৰত গোলাঘাট জিলাৰ নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। নুমলিগড় শোধনাগাৰ কৰ্তৃপক্ষৰ লগতে গোলাঘাট প্ৰশাসনে প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ ব্যাপক প্ৰস্তুতি চলাইছে।

০০০০০০

নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব লাভৰ বাবে আবেদনৰ যোগ্যতাৰ সময়সীমা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাক লৈ কালি ৰাজ্যত বিভিন্ন দল-সংগঠনে প্রতিবাদ সাব্যস্ত কৰে। অসম গণ পৰিষদ দলে কালি এখন সংবাদমেল যোগে কয়, যে দলটোৱে এই বিষয়টোক লৈ আইনী যুঁজ চলাই যাব। কেন্দ্রীয় চৰকাৰে এই আইনৰ অধীনত আবেদনৰ সময়সীমাৰ ম্যাদ বৃদ্ধি কৰাক লৈ দলৰ প্রাক্তন সাংসদ কুমাৰ দীপক দাসে কয়, যে এই নির্দেশে অসম চুক্তিক অৱমাননা কৰিব। অগপই অসম চুক্তিৰ ক্ষেত্রত কোনোদিনে আপোচ নকৰে বুলি তেওঁ উল্লেখ কৰে। এন ডি এৰ অংশীদাৰ হ'লেও এই নির্দেশক দলে সমর্থন নকৰে বুলি তেওঁ উল্লেখ কৰে।

**বাইট (দীপক দাস)**

ডিব্রুগড় জিলা সদৰত কালি অসম জাতীয়তাবাদী যুৱ ছাত্র পৰিষদে এই আইনৰ বিৰোধিতাৰে প্রতিবাদ সাব্যস্ত কৰে। অসমে বিদেশীৰ বোজা বহন নকৰে বুলি সংগঠনটোৱে প্রকাশ কৰে। গোলাঘাটতো কালি সংগঠনটোৰ জিলা সমিতিয়ে জোৰ সমদল উলিয়াই প্রতিবাদ সাব্যস্ত কৰে। একেদৰে ধেমাজি জিলাতো কালি সংগঠনটোৱে প্রতিবাদ সাব্যস্ত কৰে। ৰাজ্যৰ আন কেইবাখনো জিলাতো এই আইনৰ বিৰোধিতাৰে প্রতিবাদ সাব্যস্ত কৰা হয়।

০০০০০০

বিশ্ববন্দিত শিল্পী ভূপেন হাজৰিকাৰ বহুমাত্রিক প্রতিভাই ৰাজ্যৰ লগতে দেশৰ সমাজ-সংস্কৃতি, ইতিহাস আৰু সমসাময়িক ঘটনাক নির্ভেজাল ৰূপত তুলি ধৰিছে। একক আৰু অভূতপূর্ব ব্যক্তিত্বৰ শিল্পীগৰাকী কেৱল কণ্ঠশিল্পী হিচাপে নহয়, এগৰাকী গীতিকাৰ, সাহিত্যিক, সাংবাদিক, চিত্রকৰ আৰু সমাজ জীৱনৰ দ্রষ্টা হিচাপেও অনন্য আছিল। শিল্পীগৰাকীৰ জন্ম শতবর্ষৰ সৈতে সংগতি ৰাখি কালি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট গীতিকাৰ ড০ দিনেশ বৈশ্য, বিশিষ্ট নিৱন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই এই বিষয়ে প্রকাশ কৰে। তেওঁলোকে কয় যে সমাজ এখনত বিভাজনমুখী প্রৱণতাক মষিমূৰ কৰি গীতেৰে এক কৰিব খোজা অনন্য মানসিকতাৰ অধিকাৰী ভূপেন হাজৰিকা আছিল মানৱীয়তাৰ প্রতিভূ।

**বাইট**

অনুষ্ঠানটোৰ পৰিকল্পনা, প্রযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

শুল্ক যুদ্ধ অব্যাহত থকাৰ মাজতে মার্কিন ৰাষ্ট্রপতি ড'নাল্ড ট্রাম্পে ভাৰতৰ প্রতি নৰম স্থিতি লৈ প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ প্রশংসা কৰা এটা বাতৰি অসমীয়া প্রতিদিনৰ লগতে আটাইবোৰ কাকতে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে।

২০২৪ চনৰ ৩১ ডিচেম্বৰ পর্যন্ত নথি-পত্র অবিহনে ভাৰতত প্রৱেশ কৰা বাংলাদেশ, পাকিস্তান, আফগানিস্তানৰ অমুছলমান লোকে **কা**-ৰ অধীনত নাগৰিকত্ব বিচাৰি আবেদন কৰাৰ পথ প্রশস্ত কৰি কেন্দ্রীয় চৰকাৰে জাৰি কৰা অনুপ্রৱেশ আৰু বিদেশী ৰেহাই আদেশ ২০২৫ৰ বিৰুদ্ধে অগপই আইনীভাৱে যুঁজ কৰিব। দৈনিক অসমৰ প্রথম পৃষ্ঠাৰ এই বাতৰিটো দি আছাম ট্রিবিউন আৰু আন আন কাকতে প্রকাশ কৰিছে।

সাধাৰণ লোকৰ সুবিধার্থে কেন্দ্রীয় চৰকাৰে ৯৯ শতাংশ সামগ্রীত জি এছ টি হ্রাস কৰাৰ সিদ্ধান্ত লোৱাৰ পাছতেই একাংশ প্রতিষ্ঠানে অধিক মুনাফা লুটাৰ বাবে তৎপৰ হোৱাৰ ফলত বজাৰত বস্তুৰ দাম বাঢ়িছে। বাতৰিটো দৈনিক জনমভূমিৰ লগতে কেইবাখনো কাকতে প্রকাশ কৰিছে।

নির্বাচন আয়োগে বিহাৰক আৰ্হি হিচাপে গ্রহণ কৰি সমগ্র দেশতে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্রক্রিয়া সম্প্রসাৰিত কৰিবলৈ সাজু হৈছে। এই বাতৰি অসমীয়া খবৰ কাকতৰ।

অসমে প্রথমবাৰলৈ অভিলেখ সংখ্যক ৮ লাখ মেট্রিক টন ধান ক্রয় কৰা বুলি মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই সামাজিক মাধ্যমত প্রকাশ কৰা এটা বাতৰিক নিয়মীয়া বার্তা কাকতে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে।

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপন অনুষ্ঠানত ভাগ ল'বলৈ বিদেশৰ পৰা ভূপেন হাজৰিকাৰ পুত্ৰ, বোৱাৰী আৰু নাতি অসমত উপস্থিত হোৱাৰ বাতৰিটো আমাৰ অসম কাকতৰ লগতে কেইবাখনো কাকতে প্ৰকাশ কৰিছে।

চৰকাৰে বিদ্যালয়সমূহত শিক্ষাৰ গুণগত মান উন্নত কৰিবলৈ যথেষ্ট প্ৰচেষ্টা লৈছে যদিও প্ৰাক প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত ব্যক্তিগত টিউচনে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা বুলি এটা সমীক্ষাত প্ৰকাশ পাইছে। এই বাতৰি দা ছেণ্টিনেল কাকতৰ।

দেশ কঁপোৱা ৰাজা ৰঘুবংশী হত্যাৰ গোচৰৰ মেঘালয় আৰক্ষীয়ে ৭৯০ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰিছে। এই অভিযোগনামাত মূল অভিযুক্তৰূপে ৰাজাৰ পত্নী সোনম ৰঘুবংশীৰ নাম উল্লেখ কৰিছে। এই বাতৰি দৈনিক অগ্ৰদূত কাকতৰ লগতে আন আন কাকতেও প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৰৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত